# GENERAL STUDIES—V

## ( Paper—6 )

*Full Marks* : 250

*Time* : 3 hours

---

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **TWENTY** questions printed in **ENGLISH** and **ASSAMESE**.

**All** questions are compulsory.

The number of marks carried by a question/part is indicated against it.

Answers to Question Nos. **1** to **10** should be in *150* words each, whereas answers to Question Nos. **11** to **20** should be in *250* words each.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

---

1. Explain the meaning of discretionary power in the context of the Indian Constitution. Elaborate with examples the Governor's discretionary powers. (Answer in *150* words) 10

ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত বিবেকাধীন ক্ষমতাৰ অৰ্থ ব্যাখ্যা কৰক। ৰাজ্যপালৰ বিবেকাধীন ক্ষমতাসমূহ সম্পৰ্কে উদাহৰণসহ বহলাই লিখক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

2. Assess in the present district administration package the position of co-districts. Describe the land revenue branch of a co-district and discuss its functioning. (Answer in *150* words) 10

বৰ্তমানৰ জিলা-প্ৰশাসন ব্যৱস্থাত সম-জিলাৰ স্থান সন্দৰ্ভত মূল্যায়ন আগবঢ়াওক। সম-জিলাৰ ভূমি ৰাজহ শাখাৰ বৰ্ণনা দি সেই শাখাৰ কাৰ্যপদ্ধতি সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

3. What, according to you, are the subjects covered under Money Bill? Explain in detail the procedure of passing a Money Bill in a Legislative Assembly. (Answer in *150* words) 10

আপোনাৰ মতে, অৰ্থবিলে কোনসমূহ বিষয় সামৰি লয়? বিধানসভাত অৰ্থবিল গৃহীত হোৱাৰ প্ৰক্ৰিয়াটো বিশদভাৱে ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

4. Examine the causes and consequences of the 'Phulaguri Dhawa (1861)' as a peasant resistance movement. To what extent it was successful? (Answer in *150* words) 10

কৃষকৰ প্ৰতিৰোধী বিদ্ৰোহ 'ফুলগুৰিৰ ধেৱা (১৮৬১)'ৰ কাৰণ আৰু পৰিণতি সম্বন্ধে আলোচনা কৰক। এই বিদ্ৰোহ কিমানদূৰলৈ সফল হোৱা বুলি ক'ব পাৰি? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

5. Discuss the contribution of 'Namghar' in the social life of medieval Assam. (Answer in *150* words) 10

মধ্যযুগৰ অসমৰ সামাজিক জীৱনত 'নামঘৰ'ৰ অৱদান সম্পৰ্কে আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

6. Highlight the literary works of any one of the literary figures of Assam who had been honoured with the Jnanpith Award. (Answer in *150* words) 10

জ্ঞানপীঠ বঁটাৰে সন্মানিত অসমৰ যি কোনো এগৰাকী সাহিত্যিকৰ সাহিত্যকৰ্মত আলোকপাত কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

7. Explain the impacts of exotic plants and animals towards biodiversity of a region. (Answer in *150* words) 10

এটা অঞ্চলৰ জৈৱ বৈচিত্ৰ্যৰ ক্ষেত্ৰত বিদেশাগত উদ্ভিদ আৰু প্ৰাণীৰ প্ৰভাৱ ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

8. Evaluate the importance of MSME sector in Assam's economy. What reforms are needed to unlock its full potential? (Answer in *150* words) 10

অসমৰ অৰ্থনীতিত এম. এছ. এম. ই. (MSME) খণ্ডৰ গুৰুত্বৰ এটি মূল্যায়ন আগবঢ়াওক। ইয়াৰ সম্পূৰ্ণ সম্ভাৱনা মুকলি কৰিবলৈ কি কি সংস্কাৰৰ প্ৰয়োজন? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**9.** Evaluate the status and impact of transportation and connectivity projects like Bharatmala, Sagarmala and Act East Policy on Assam's economy.

(Answer in *150* words) 10

অসমৰ অৰ্থনীতিত ভাৰতমালা, সাগৰমালা আৰু এক্ট ইষ্ট পলিচিৰ দৰে পৰিবহণ আৰু সংযোগ প্ৰকল্পসমূহৰ স্থিতি আৰু প্ৰভাৱৰ বিষয়ে এটি মূল্যায়ন আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**10.** What is a time zone? Is there any need to have a separate time zone for Assam? What could be the merits and demerits to have a separate time zone for Assam?

(Answer in *150* words) 10

সময় মণ্ডল কি? অসমৰ বাবে এটা সুকীয়া সময় মণ্ডলৰ প্ৰয়োজন আছেনে? অসমৰ বাবে এটা সুকীয়া সময় মণ্ডল গ্ৰহণ কৰাৰ সুবিধা আৰু অসুবিধাসমূহ কি কি? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**11.** Apart from election to the rural-urban local bodies, the Assam State Election Commission also conducts elections to various other autonomous organizations and Sixth Schedule organizations. Name all of them. Discuss the qualifications and tenure of service of the State Election Commissioner of Assam. Can he/she be removed from his/her office before completion of his/her term?

(Answer in *250* words) 15

গ্ৰাম্য আৰু নগৰীয়া স্থানীয় অনুষ্ঠানসমূহৰ নিৰ্বাচন পৰিচালনা কৰাৰ উপৰি অসম ৰাজ্যিক নিৰ্বাচন আয়োগে বহু স্বায়ত্তশাসিত অনুষ্ঠান আৰু ষষ্ঠ অনুসূচীৰ অধীনৰ অনুষ্ঠানৰ পৰিচালনা কৰে। এই সকলোবোৰ অনুষ্ঠানৰ নাম উল্লেখ কৰক। অসমৰ ৰাজ্যিক নিৰ্বাচন আয়ুক্তৰ যোগ্যতা আৰু কাৰ্যকালৰ বিষয়ে আলোচনা আগবঢ়াওক। তেওঁক তেওঁৰ কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ আগেয়ে তেওঁৰ পদবীৰ পৰা অপসাৰণ কৰিব পাৰিনে?

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**12.** What do you mean by Writ of Mandamus? Discuss the circumstance(s) under which Writ of Mandamus is issued. Distinguish between Writ of Prohibition and Writ of Certiorari. (Answer in *250* words) 15

পৰমাদেশ ৰিট্ বুলিলে আপুনি কি বুজে? পৰমাদেশ ৰিট্ জাৰী কৰা পৰিস্থিতি/পৰিস্থিতিসমূহ সম্বন্ধে আলোচনা কৰক। নিষেধাজ্ঞা ৰিট্ আৰু চাৰ্টিঅ'ৰাৰী ৰিট্‌ৰ মাজত পাৰ্থক্য প্ৰকট কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**13.** Examine the archaeological, epigraphical and literary sources for reconstructing the history of ancient Assam. (Answer in *250* words) 15

পুৰণি অসমৰ ইতিহাস পুনৰ্গঠনৰ উদ্দেশ্য আগত ৰাখি প্ৰত্নতাত্ত্বিক, শিলালিপি-সম্বন্ধীয় আৰু সাহিত্যিক সমলসমূহ সম্পৰ্কে এটা পৰীক্ষামূলক আলোচনা আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**14.** "Assam became a melting pot of races because it is situated in one of the great migration routes of mankind." Elucidate. (Answer in *250* words) 15

''মানৱজাতিৰ এটা গুৰুত্বপূৰ্ণ প্ৰব্ৰজন পথত অৱস্থিত হোৱাৰ বাবে অসম বিভিন্ন জনগোষ্ঠীৰ মিলনভূমিত পৰিণত হৈছিল।'' ব্যাখ্যা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**15.** Discuss the potential of developing the hill districts of Assam as places of cultural tourism. (Answer in *250* words) 15

অসমৰ পাহাৰীয়া জিলাকেইখনক সাংস্কৃতিক পৰ্যটনক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ সম্ভাৱনা সম্বন্ধে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**16.** You have been asked to conduct a pilot study and assess the people's knowledge, attitude, perception and practice regarding the disposal of solid waste in household residents in Assam. How would you conduct the study and evaluate it? (Answer in *250* words) 15

আপোনাক এটা পৰীক্ষামূলক গৱেষণা কৰিবলৈ কোৱা হৈছে আৰু তাৰ যোগেদি অসমৰ গৃহবাসীসকলৰ কঠিন বৰ্জ্য পদাৰ্থ বৰ্জন সম্পৰ্কে জ্ঞান, মনোভংগী, বোধ আৰু অনুশীলনৰ এটা মূল্যায়ন কৰিবলৈ দিয়া হৈছে। আপুনি এই গৱেষণা কিদৰে সম্পন্ন কৰিব আৰু এই মূল্যায়ন কিদৰে আগবঢ়াব? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**17.** Assess the potential of startup ecosystem and innovation-driven enterprises in Assam. What institutional support is required? (Answer in *250* words) 15

অসমৰ ষ্টাৰ্টআপ ইক'চিষ্টেম আৰু উদ্ভাৱন-চালিত উদ্যোগসমূহৰ সম্ভাৱনাৰ এটা মূল্যায়ন আগবঢ়াওক। এই ক্ষেত্ৰত কি প্ৰাতিষ্ঠানিক সহায়ৰ প্ৰয়োজন? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** Discuss the outcome of centrally sponsored schemes like PMGSY, Smart Cities Mission and Jal Jeevan Mission in Assam's development landscape. (Answer in *250* words) 15

অসমৰ উন্নয়ন পৰিদৃশ্যত পি. এম. জি. এছ. ৱাই. (PMGSY), স্মাৰ্ট চিটিজ মিছন আৰু জল জীৱন মিছনৰ দৰে কেন্দ্ৰীয় অৰ্থসাহায্য-সম্পন্ন আঁচনিসমূহৰ ফলাফল সম্বন্ধে আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** "Assam is the reservoir of several minerals, energy and forest resources." Justify the statement with suitable examples. (Answer in *250* words) 15

''অসম বিভিন্ন খনিজ, শক্তি আৰু বনজ সম্পদৰ ভঁৰাল।'' উপযুক্ত উদাহৰণসহ এই উক্তিৰ যুক্তিযুক্ততা প্ৰতিষ্ঠা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**20.** Differentiate the following : 5×3=15

(a) Renewable and Non-renewable sources of energy

(b) Wetland and Watershed

(c) Open-cast mining and Rat-hole mining (Answer in *250* words)

তলত দিয়াবোৰৰ পাৰ্থক্য প্ৰদৰ্শন কৰক :

(ক) নৱীকৰণযোগ্য আৰু নৱীকৰণ-অযোগ্য শক্তিৰ উৎস

(খ) আৰ্দ্ৰভূমি আৰু জলবিভাজিকা

(গ) মুক্ত খনন আৰু ৰেট-হ'ল খনন

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★